# শিক্ষক দিৱস উদ্‌যাপন ঃ প্ৰতিবেদন

**হাজী আনফৰ আলী কলেজ**

**৫ ছেপ্তেম্বৰ, ২০২৬**

হাজী আনফৰ আলী কলেজৰ ছাত্ৰ একতা সভাৰ উদ্যোগত ৫ ছেপ্তেম্বৰ, ২০২৬ তাৰিখ শনিবাৰে কেন্দ্ৰীয়ভাৱে শিক্ষক দিৱসটি উলহ-মালহেৰে উদ্‌যাপন কৰা হয়। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° মামুন আজম বৰভূঞাই সভাপতিত্ব কৰা অনুষ্ঠানটিত মহাবিদ্যালয়খনৰ সকলো বিভাগৰ অধ্যাপক-অধ্যাপিকা আৰু পাঁচ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ আৰম্ভণিতে ভাৰতৰত্ন ড° সৰ্বপল্লী ৰাধাকৃষ্ণণদেৱৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰা হয়। ইয়াৰ পিছত ছাত্ৰ-ছাত্ৰীসকলে ফুলাম গামোচা আৰু বিভিন্ন উপহাৰেৰে প্ৰতিগৰাকী শিক্ষাগুৰুক সেৱা আৰু সন্মান জনায়। অনুষ্ঠানটিত অধ্যক্ষ ড° মামুন আজম বৰভূঞা আৰু অধ্যাপক-অধ্যাপিকাসকলে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি সাৰুৱা ভাষণ প্ৰদান কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ সৰ্বতোপ্ৰকাৰৰ উন্নতি কামনা কৰে। ছাত্ৰ-ছাত্ৰীসকলে বক্তৃতা, স্বৰচিত কবিতা আবৃত্তি, সমবেত সংগীত আৰু একক সংগীত পৰিৱেশন কৰি সমগ্ৰ অনুষ্ঠানটি জীপাল কৰি তোলে। ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকে আঁত ধৰা অনুষ্ঠানটিৰ শেষত শলাগৰ শৰাই আগবঢ়োৱা হয়। কেন্দ্ৰীয় অনুষ্ঠানৰ উপৰিও কলেজৰ আন আন বিভাগৰ দৰে অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলেও বিভাগীয়ভাৱে শিক্ষক দিৱসৰ এক আকৰ্ষণীয় অনুষ্ঠানৰ আয়োজন কৰে। অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক তুলিকা গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত হোৱা এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত অধ্যাপক কবিতা দেৱী, সহকাৰী অধ্যাপক দীপক নাথৰ লগতে ইংৰাজী বিভাগৰ অধ্যাপকসকল উপস্থিত থাকি অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে। বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে গীত-মাত-কথাৰে অনুষ্ঠানটি অধিক প্ৰাণৱন্ত কৰি তোলে।

**অনুষ্ঠানৰ সংবাদ প্ৰতিবেদন আৰু একাংশ দৃশ্যচিত্ৰ ঃ**


ডবকাৰ হাজী আনফৰ আলী কলেজত
উলহ-মালহেৰে শিক্ষক দিৱস উদ্‌যাপন

অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত
বাতৰি বিভাগ : abnewsmajuli@gmail.com
Asom Barta is an Assamese newspaper published by Asom Barta Private Limited





